No. of Printed Pages—2

447 (AEM 03/AEE 03/AEP 03)

[20-HBGPOW–D3S(O)21A]

BA 3rd Semester (Old) Exam., 2020 (W)

(MIL) ASSAMESE

[BAE M/P–02]

(অসমীয়া ভাষা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলত দিয়া প্রশ্নবোৰৰ উত্তৰ লিখক (প্রতিটো *এটা* বা *দুটা* বাক্যৰ ভিতৰত) : 1×8=8

(a) চীন-তীব্বতীয় ভাষা-পৰিয়ালৰ আদিম বাসস্থান ক'ত বুলি অনুমান কৰা হৈছে?

(b) পৃথিৱীৰ আটাইতকৈ উন্নত ভাষাগোষ্ঠী বা ভাষা-পৰিয়াল বুলি কোনটো ভাষাগোষ্ঠীক অভিহিত কৰা হয়?

(c) আৰ্যসকলৰ প্রাচীনতম গ্রন্থখনৰ নাম কি?

(d) 'পাণিনি'ৰ ব্যাকৰণখনক কিয় 'অষ্টাধ্যায়ী' বুলি কোৱা হৈছিল?

(e) উৰ্দু সাহিত্য প্রথমতে ক'ত উদ্ভৱ হৈছিল?

(f) ''অসমীয়া ভাষা কামৰূপী প্রাকৃতৰ পৰা উদ্ভৱ হৈছে।'' এই মন্তব্যটো কোনগৰাকী ব্যক্তিয়ে কৰিছিল?

(g) কোনখন পুথিক নিভাঁজ অসমীয়া ভাষাৰ প্রথম লিখিত নিদর্শন হিচাপে জনা যায়?

(h) 'অসমীয়া ভাষা আৰু সংস্কৃতি' নামৰ গ্রন্থখনৰ ৰচয়িতা কোন?

2. তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক (প্রতিটো *৫০* শব্দৰ ভিতৰত) : 2×8=16

(a) ভাৰতীয় আৰ্যভাষাৰ স্তৰ-বিভাজন সম্পর্কে এটা টোকা প্রস্তুত কৰক।

(b) 'প্রাকৃত' নামটোৰ তাৎপর্য ব্যাখ্যা কৰক।

(c) আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ উমৈহতীয়া বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

(d) আধুনিক ভাৰতীয় আৰ্যভাষাৰ যি কোনো দুটা শাখাৰ বিষয়ে ব্যাখ্যা কৰক।

(e) প্ৰাক্-শংকৰী যুগৰ ভাষা সম্পৰ্কে চমুকৈ লিখক।

(f) ভট্টদেৱৰ ভাষাত কিদৰে অসমীয়া ভাষাৰ এটি ব্যাকৰণসঙ্গত সুনিৰ্দিষ্ট ৰূপ প্ৰকাশ পাইছিল, উল্লেখ কৰক।

(g) ১৮৪৬ চনৰ পৰা ১৮৮৮ চনলৈকে বিস্তৃত অসমীয়া সাহিত্যৰ যুগটোক কি নামেৰে অভিহিত কৰিছিল আৰু সেই যুগৰ সাহিত্যিক বৈশিষ্ট্যসমূহ চমুকৈ উল্লেখ কৰক।

(h) অসমীয়া ভাষাত থকা অষ্ট্ৰিক ভাষাৰ শব্দগত সাদৃশ্যসমূহৰ বিষয়ে চমুকৈ লিখক।

3. তলৰ প্ৰশ্নসমূহৰ যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো উত্তৰ প্ৰায় ১০০ শব্দৰ ভিতৰত) : 4×5=20

(a) অপভ্ৰংশৰ বিকাশৰ স্তৰ কেইটা আৰু কি কি? বহলাই লিখক।

(b) প্ৰাকৃত ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

(c) নব্য-ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত দক্ষিণী শাখাৰ বিষয়ে চমুকৈ লিখক।

(d) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে থকা বিভিন্ন পণ্ডিতৰ মতসমূহ উল্লেখ কৰক।

(e) মধ্যযুগত অসমীয়া ভাষাটোৱে কিদৰে বিকাশ লাভ কৰিছিল, উল্লেখ কৰক।

(f) অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ উপাদান সম্পৰ্কে এটা আলোচনা লিখক।

4. তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×2=16

(a) মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰধান স্তৰ কেইটা আৰু কি কি, আলোচনা আগবঢ়াওক।

(b) অসমীয়া ভাষাত থকা আৰ্য-ভিন্ন উপাদানসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(c) ''অসমীয়া ভাষা সংস্কৃত ভাষাৰ পৰা ওলাইছে। সেই কাৰণে, ইয়াৰ সৰহভাগ শব্দ সংস্কৃত মূলজ।'' বাক্যশাৰীৰ যুক্তিযুক্ততা প্ৰতিপন্ন হোৱাকৈ এটা নাতিদীৰ্ঘ আলোচনা আগবঢ়াওক।

5. তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) : 10×2=20

(a) অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ আৰু তাৰ শ্ৰেণী-বিভাজন সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

(b) 'অৰুণোদয়' স্তৰৰ অসমীয়া ভাষাৰ গতি-প্ৰকৃতি সম্পৰ্কে এটি বিস্তৃত আলোচনা আগবঢ়াওক।

(c) পৃথিৱীৰ প্ৰধান ভাষাগোষ্ঠীসমূহৰ কোনকেইটা ভাষাগোষ্ঠীৰ বেছিকৈ প্ৰচলন আছে, আলোচনা কৰক।

★★★